# সূচীপত্ৰ


কবিতা — Pg. No. -

১/ শূন্যতাৰ দস্তাবেজ ~ বৰ্ণালী হাজৰিকা 1

২/ ভ্ৰমৰ শিকলি ~ শিৱানী গগৈ 2

৩/ নিজক বিচাৰি ~ প্ৰিয়াংক্ষী দত্ত 3

৪/ বিষাদৰ টোপোলা ~ ৰিংকুমনি গগৈ 4

৫/ স্মৃতিৰ সুবাস ~ টুম্পী চেতিয়া 5

৬/ যান্ত্ৰিক সভ্যতাৰ কোলাহল ~ মায়া শর্মা 6

৭/ Society in the Screen ~ Tanvi Barla 7

৮/ The Graduation ~ Tanvi Barla 8

৯/ वचक की चोट ~ निक्की कुमारी राय 9

প্ৰবন্ধ —

১/ অবিনাশী সৃষ্টি আৰু এক অমৰ সত্তা: জুবিন গাৰ্গ ~ বৰ্ণালী হাজৰিকা 10-11

২/ ডিজিটেল নিৰ্জনতা আৰু হেৰাই যোৱা চোতালখন ~ প্ৰিয়াংক্ষী দত্ত 12

৩/ শিক্ষা আৰু সমাজ: এক অবিচ্ছেদ্য সম্পৰ্ক ~ পায়েল মহৰী 13

৪/ জুবিন গাৰ্গ: যন্ত্ৰণাৰ সুৰত আত্মাৰ প্ৰতিধ্বনি ~ পাৰি দত্ত 14-15

৫/ आत्म - खोज का महत्व ~ उर्मीमाला बोराह 16

৬/ The Unruly Spirit ~ Niharika Gogoi 17-18

৭/ Humans Need Humans ~ Himagkhee Dutta 19

৮/ The War Within The Battle Without weapons ~ Priyankhi Dutta 20-21

৯/ The Pressure to Be Perfect in Modern Society ~ Tanvi Barla 22-23

গ্ৰন্থ পৰ্যালোচনা —

১/ "মোৰ সত্য অন্বেষণৰ কাহিনী" ~ ৰিংকুমণি গগৈ 24

২/ "মোৰো এটা সপোন আছে" ~ জ্যোতিষ্মতা দত্ত 25-26

ব্যংগ ৰচনা —

১/ এজন ছাত্ৰৰ দৃষ্টিত দুৰ্নীতি ~ নিকিতা শইকীয়া 27

২/ ডিজিটেল অন্ধবিশ্বাস ~ ঝৰ্ণা সোণোৱাল 28-29

অন্যান্য —

১/ মহৎ লোকৰ বাণী 30-31

২/ কুইজ 32-33

৩/ কলা 34-35

# কবিতাৰ শিতান

# POEMS

# শূন্যতাৰ দস্তাবেজ

সময়ৰ কেনভাচত জীৱনৰ ছবিবোৰ
এতিয়া ধূসৰ,
আজিকালি আগৰ দৰে
একোতেই আৰু অনুৰাগ জাগত নহয় ।
প্ৰিয় সুৰবোৰো হৈ পৰিছে
এতিয়া কেৱল বিৰক্তিকৰ ;
কোঠাৰ কোনোবা এটা নিভৃত কোণত
ধুমালী ঠিকনা হৈ পৰিছে প্ৰিয় উপন্যাসসমূহৰ

নিঃসংগতা মোৰ কাম্য নহয় যদিও,
সময়বোৰ এতিয়া—
কেৱল নিজৰ মাজতেই সীমাবদ্ধ ।
বয়সৰ তুলনাত মনৰ অৱস্থা
এতিয়া প্ৰায় জৰাজীৰ্ণ ।

প্ৰিয় বুলি এতিয়া আৰু একো নাই ।
মাথোঁ আগুৱাই গৈছোঁ,
কালৰ অনিয়ন্ত্ৰিত সোঁতত ;
দিগভ্ৰান্ত হৈ ----
ক্ৰমশঃ বাট হেৰুৱা নাবিকৰ দৰে ।

— বৰ্ণালী হাজৰিকা
ষষ্ঠ ষাণ্মাসিক

# ভ্ৰমৰ শিকলি

অন্ধকাৰত ভূত থাকে,
থাকে আমাৰ মনৰ সংশয় ।
যুক্তিহীন চিন্তাই জন্মদিয়ে কাল্পনিক ভয় ।
কু-সংস্কাৰৰ শিকলি ছিঁড়ি,
যিদিনা মুকলি হ'ব মন,
সিদিনাহে সমাজত আহিব প্ৰকৃত উত্তৰণ ।

অন্ধবিশ্বাস এটি মানসিক ব্যাধি
এক নিৰৰ্থক ভ্ৰম ।
বিবেকক কৰে পংগু,
সমাজৰ প্ৰগতিৰ গতি কৰে মন্থৰ;
আহক আমি যুক্তিৰ চাকি জ্বলাই অন্ধকাৰক বিদায় দিওঁ,
অজ্ঞানতাৰ মোহ ভাঙি এখন যুক্তিবাদী সমাজ গঢ়োঁ ।

— শিৱানী গগৈ
ষষ্ঠ ষাণ্মাসিক

# নিজক বিচাৰি

ভিৰৰ মাজতো কেতিয়াবা
নিজেই নিজক হেৰুৱাই পেলাওঁ,
হাঁহিভৰা মুখখনিৰ আঁৰত
নিঃশব্দে কিমান যে কথা লুকুৱাওঁ

প্ৰশ্নবোৰে প্ৰতিদিন আহি মোৰ
বুকুৰ দুৱাৰত টোকা মাৰি সোধে -
"এই ভিৰৰ মাজত মই আচলতে কোন ?"
যাৰ উত্তৰ মোৰ মৌনতাইহে জানে ।

বিশাল আকাশৰ নীলা খিনিৰ দৰেই
মোৰ সপোনবোৰো আছিল
দিগন্ত প্ৰসাৰী....
কিন্তু অজান সংশয়ে কেতিয়াবা
সেইবোৰ দুখনত দিয়ে আঘাত হানি ।

তথাপিও মই প্ৰতিদিন থমকি নৰওঁ,
নিজৰ বাবে এক নতুন পথ গঢ়িম,
হেৰাই যোৱা সেই 'মই' জনীক
নিশ্চয়কৈ আকৌ এবাৰ বিচাৰি পাম ।

— প্ৰিয়াংশী দত্ত
ষষ্ঠ ষাণ্মাসিক

# বিষাদৰ টোপোলা

নিশাৰ দুখ যেতিয়া টোপাল হৈ নামে
বিয়লি পৰে বুকুৰ একোণত
এক অচিনাকি বেদনা ।
মনৰ পদূলিত....
লোকেৰা কথাবোৰে আমনি কৰেহি
যেন এটি আধৰুৱা,
পুৰণি সংগীতৰ সুৰ
চকুৰ পানীয়েই যে দুখ নহয়,
দুখ মানে....
মৌনতাৰে কটোৱা বিশাল সময় ।
বৈ যোৱা স্মৃতিৰ খোজত
যেতিয়া মেলাই ধৰে,
অকলশৰীয়া জোনটোৱে
দুখৰ কবিতা পঢ়ে ।
হাঁহিৰ আৰতো এখন দুখৰ সপোন,
য'ত হেৰাই গ'ল আপোন ।
দুখৰ সাগৰৰ দৰে
যাৰ নাই পাৰ,
তথাপি এই দুখতেই
হেপাহ জীয়াই থকাৰ সপোন ,
বুকুত গোটাই মোৰ বিষাদৰ টোপোলা,
আন্ধাৰ হলে জ্বলি উঠে,
এটি সৰু চাকিৰ শলিতা ।

— ৰিংকুমণি গগৈ
দ্বিতীয় ষান্মাসিক

# স্মৃতিৰ সুবাস

শৈশৱৰ মিঠা স্মৃতিৰ সুবাহ...
যেন, হেৰাই গ'ল কোনোবা অজান দেশলৈ ।
আকাশত উৰি ফুৰা কুঁমলীয়া মনটো ,
আজি যেন হেৰাই গ'ল প্ৰকৃতিৰ মাজত ,
স্মৃতিৰ সুবাহবোৰ যেন নোহোৱা হ'ব ধৰিছে ,
ধূলিৰ সৈতে মিলি গৈছে বন্ধুত্বৰ এনাজৰী ।
ধীৰে ধীৰে হেৰাই যাব ধৰিছে,
মা- দেউতাৰ সপোন ,
সপোনবোৰ যেন এতিয়া ম্লান ।
ভাললগা সময়ো যেন হেৰাই গৈছে ,
ক'ব নোৱাৰাকৈ !
হৃদয়ত ৰৈ গৈছে মাথো পাহৰিব নোৱাৰা স্মৃতি ,
আজিও কব নোৱাৰো .....
ভৱিষ্যত আকৌ ঘূৰাই পামনে ?
এই মিঠা স্মৃতিৰ সুবাস ......

— চুমকী চেতিয়া
দ্বিতীয় ষাণ্মাসিক

# যান্ত্ৰিক সভ্যতাৰ কোলাহল

কংক্ৰিটৰ জংঘলত হেৰাল মানুহ
যন্ত্ৰৰ পৃথিৱীত অনুভূতি মৃতপ্ৰায়
ব্যস্ত পথত দৌৰা প্ৰতিটো খোজত
আপোনাক পাহৰি অজানাৰ হ ধাৱমান

সভ্য সমাজৰ দেৱালত অসত্যৰ জয়গান,
নিৰীহৰ তেজেৰে ৰাঙলী ধৰাখন
মৰমৰ এধানি সুবাস বিচাৰিবলৈ আজৰি নাই
স্বাৰ্থৰ দাবানল জ্বলিছে মানৱতাৰ আগত

দুখীয়াৰ চকুপানী বালিচৰত হেৰায়
ধনীৰ অট্টালিকাত বিলাসিতাৰ হাঁহি
কবিতাৰ পংক্তিয়ে বিচাৰে সমাজৰ পৰিৱৰ্তন।
মানুহৰ মন মগজুত জাগক নৱজাগৰণ

– মায়া শৰ্মা
দ্বিতীয় ষান্মাসিক